**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

২। বিৰোধী পক্ষই বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদন আজি পুনৰ স্থগিত ৰাখিবলগীয়া হয়।

৩। নিৰ্বাচন আয়োগে অহা ৯ ছেপ্টেম্বৰত উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আজি ঘোষণা কৰিছে।

৪। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি ভাৰতীয় অৰ্থনীতিৰ সন্দৰ্ভত কৰা মন্তব্যৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰিছে।

*আৰু*

৫। অভেলত চলি থকা পঞ্চম তথা অন্তিম টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে প্ৰথম ইনিংছত শোচনীয় প্ৰদৰ্শন দাঙি ধৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ধানবাদস্থিত ভাৰতীয় খনি বিদ্যালয়, আই আই টি - আই এছ্ এম, ধানবাদৰ ৪৫ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি আজি শ্ৰীমতী মুৰ্মুৱে প্ৰতিষ্ঠানখনৰ কৃতি শিক্ষাৰ্থীসকলক এই আহ্বান জনায়। অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে এগৰাকী ছাত্ৰক ৰাষ্ট্ৰপতিৰ সোণৰ পদক প্ৰদান কৰাৰ লগতে প্ৰতিষ্ঠানখনৰ প্ৰতিষ্ঠাৰ গৌৰৱপূৰ্ণ শতবৰ্ষ উপলক্ষে এটা স্মাৰক ডাক টিকট মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে কয় যে ব্যাপক মানৱ সম্পদেৰে ভাৰত অধিক শক্তিশালী দেশ হিচাপে উদ্ভাসিত হৈ উঠিছে। প্ৰযুক্তিৰ শিক্ষা আৰু ব্যাপক ডিজিটেল সাক্ষৰতাৰে ভাৰত প্ৰযুক্তিগত ছুপাৰ পাৱাৰ হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে দেশৰ শিক্ষা ব্যৱস্থা অধিক বাস্তৱিক, উদ্ভাৱন আৰু উদ্যোগৰ বাবে সুচল কৰি তুলি দেশৰ যুৱ প্ৰজন্মৰ মেধাক সঠিক দিশত ব্যৱহাৰ কৰিলে গোলকীয় পৰ্যায়ৰ বাবে সাজু কৰিব পৰা যাব। অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু ৰাজ্যপাল সন্তোষ গাংৱাৰো উপস্থিত থাকে।

০০০০০০০

বিৰোধী পক্ষই বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদন আজি পুনৰ স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাত দুপৰীয়া ১২ বজাত প্ৰথমবাৰ স্থগিতকৰণৰ পাছত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় সন্দৰ্ভত আলোচনাৰ দাবী জনাই শ্ল'গান দিবলৈ আৰম্ভ কৰে। সেই সময়ত সভাপতিৰ আসনত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আগবঢ়াই নিবলৈ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে

সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে সদনৰ কাম-কাজ ব্যাহত হয়। এনে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত সভাপতিয়ে দিনটোৰ বাবে সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে। আনহাতে এই হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ডিজিটেল গাইগুটীয়া ডাটা সুৰক্ষা - ডি পি ডি পি আইন, ২০২৩ৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰ দিয়ে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত প্ৰথমবাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত উচ্চ সদনৰ উপ-সভাপতি হৰিবংশে কয়, যে তেওঁ ভিন ভিন ৰাজনৈতিক দলৰ পৰা বিভিন্ন বিষয় সন্দৰ্ভত লাভ কৰা ৩০ খন স্থগিতকৰণৰ জাননী খাৰিজ কৰে। বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ প্ৰসঙ্গক লৈ আলোচনাৰ বাবে বিৰোধী পক্ষৰ সাংসদসকলে উত্থাপন কৰা দাবী সন্দৰ্ভত উপ-সভাপতিগৰাকীয়ে কয় যে এই বিষয়ত আলোচনাৰ বাবে তেওঁ অনুমতি প্ৰদান কৰিব নোৱাৰে। নিৰ্বাচন আয়োগ এটা সাংবিধানিক সংস্থা হোৱাৰ লগতে বিষয়টো আদালতত বিচাৰাধীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইয়াক লৈ আলোচনা কৰাটো সম্ভৱপৰ নহয় বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ বিৰোধী পক্ষৰ সদস্যসকলক নিজ নিজ আসনলৈ উভতি গৈ সংসদৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ আহ্বান জনায়। তৎসত্বেও হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত উপ-সভাপতিগৰাকীয়ে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

লোকসভাৰ কাম-কাজো আজি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে ব্যাহত হোৱা পৰিলক্ষিত হয়। প্ৰথমবাৰ সদনৰ কাম-কাজ স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী দলৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ প্ৰসঙ্গক লৈ বিভিন্ন ধ্বনি দিবলৈ আৰম্ভ কৰে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ঘোষণা কৰা হয়।

পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় উঠাই লোৱাৰ দাবীৰে সদনৰ মজিয়ালৈ উঠি আহি ধ্বনি দিবলৈ আৰম্ভ কৰে। অধ্যক্ষগৰাকীয়ে প্ৰশ্নকালৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু বিৰোধী পক্ষই ইয়াত অংশগ্ৰহণ কৰাটো জৰুৰী বুলি মত প্ৰকাশ কৰি বিৰোধী সাংসদসকলক সহযোগ কৰিবলৈ অনুৰোধ জনায়। বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণত উদ্বেগ প্ৰকাশ কৰি তেওঁ লগতে কয় যে এই গুৰুত্বপূৰ্ণ প্ৰশ্নকালে গণতন্ত্ৰক শক্তিশালী কৰিব। কিন্তু বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

০০০০০০

কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে জানিবলৈ দিছে যে চলিত বৰ্ষৰ জুনলৈকে দেশৰ ভিন্ন প্ৰান্তৰ ৰে'ল ষ্টেচনত মুঠ ১০৬টা জনঔষধী কেন্দ্ৰ মুকলি কৰা হৈছে। ৰে'ল ষ্টেচনসমূহত জনসাধাৰণ তথা যাত্ৰীসকলৰ বাবে মানসম্পন্ন আৰু ব্যয়সাধ্য ঔষধৰ যোগান সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই কেন্দ্ৰসমূহ মুকলি কৰা হৈছে। লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধী পৰিযোজনাৰ অধীনত সমগ্ৰ দেশতে মুঠ ১৬ হাজাৰ ৯১২টা এনে কেন্দ্ৰ মুকলি কৰা হৈছে। ইয়াৰে ৮ হাজাৰ ৬৬০টা কোন্দ্ৰ গ্ৰামাঞ্চলত মুকলি কৰা হৈছে। প্ৰতি দিনে এনে কেন্দ্ৰসমূহত ১০ৰ পৰা ১২ লাখ লোকে ঔষধ ক্ৰয় কৰে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

নিৰ্বাচন আয়োগে অহা ৯ ছেপ্তেম্বৰত উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আজি ঘোষণা কৰিছে। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই নিৰ্বাচনৰ বাবে অহা ৭ আগষ্টত আনুষ্ঠানিক অধিসূচনা

জাৰি কৰা হ'ব। ২১ আগষ্টৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব আৰু প্ৰয়োজন হ'লে ৯ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বিধি অনুযায়ী ভোটগ্ৰহণ সংসদ ভৱনত অনুষ্ঠিত হ'ব। লোকসভাৰ ৫৪২ গৰাকী নিৰ্বাচিত সাংসদ আৰু ৰাজ্যসভাৰ ২৩৩ গৰাকী নিৰ্বাচিত সাংসদে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰিব। সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত প্ৰতিগৰাকী সাংসদৰ ভোটৰ মূল্য নিৰ্ধাৰিত হয়।

উল্লেখযোগ্য যে, জগদীপ ধনখড়ে যোৱা ২১ জুলাইত আচম্বিতে পদত্যাগ কৰাৰ ফলত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

০০০০০০

সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি ভাৰতীয় অৰ্থনীতিৰ সন্দৰ্ভত কৰা মন্তব্যৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰিছে। কংগ্ৰেছ নেতাগৰাকীয়ে প্ৰতিবাৰে ভাৰত-বিৰোধী মন্তব্য কৰাটো উচিত নহয় বুলিও তেওঁ উল্লেখ কৰে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত শ্ৰীৰিজিজুৱে কয় যে ৰাহুল গান্ধীৰ এনে ধৰণৰ মন্তব্যক ভালেমান বিৰোধী নেতাইও গৰিহণা দিছে। তেওঁ লগতে বিৰোধী দলসমূহক চলিত লোকসভা আৰু ৰাজ্যসভা অধিবেশনৰ কাৰ্যক্ৰমণিকাত বাধা আৰোপ কৰাৰ বাবে সমালোচনা কৰিছে। শ্ৰীৰিজিজুৱে কয় যে সদন মিলিত হোৱাৰ সময়তে বিৰোধীৰ সদস্যসকলে প্ৰতিবাদ সাব্যস্ত কৰি সদনৰ মজিয়ালৈ উঠি গৈ সদনৰ কাম-কাজত বাধা আৰোপ কৰে। নিৰ্বাচন আয়োগৰ বিৰুদ্ধে কৰা ৰাহুল গান্ধীৰ মন্তব্যক মন্ত্ৰীগৰাকীয়ে সাংবিধানিক প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ভাবুকি বুলি অভিহিত কৰি কয় যে গণতন্ত্ৰক দুৰ্বল কৰাৰ বাবে এয়া এটা বৃহৎ ষড়যন্ত্ৰ।

০০০০০০০০০

অভেলত চলি থকা পঞ্চম তথা অন্তিম টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে প্ৰথম ইনিংছত শোচনীয় প্ৰদৰ্শন দাঙি ধৰিছে। খেলখনৰ আজি দ্বিতীয় দিনা ভাৰতে কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২০৪ ৰানৰ পৰা খেলিবলৈ লৈ কেৱল ২০ ৰান যোগ কৰা অৱস্থাতে ভাৰতৰ আটাইকেইটা উইকেটৰ পতন ঘটে। ভাৰতৰ অন্তিম ৩গৰাকী বেটছমেন শূন্য ৰানত আউট হয়। প্ৰত্যুত্তৰত ইংলেণ্ডে দৃঢ় আৰম্ভণি কৰিছে আৰু প্ৰথম উইকেটৰ যুটীত অপেনাৰদ্বয় জেক ক্ৰলি আৰু বেন ডাকেটে ৯২ ৰান সংগ্ৰহ কৰে। বেন ডাকেট ৪৩ ৰান কৰি আউট হয়। বাতৰি লিখাৰ পৰলৈকে ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত তিনিটা উইকেটৰ বিনিময়ত ১৪৮ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০০০

মাকাও অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত দ্বিতীয় বাছনিৰ ভাৰতৰ লক্ষ্য সেনে চীনৰ ঝু জুৱান চেনক ২১-১৪, ১৮-২১ আৰু ২১-১৪ গেমত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত ভাৰতীয় খেলুৱৈগৰাকী পঞ্চম বাছনিৰ ইণ্ডোনেছিয়াৰ আলৱি ফাৰহানৰ মুখামুখি হ'ব। আনগৰাকী ভাৰতীয় শ্বাটলাৰ তৰুণ মান্নেপাল্লি চীনৰ হু ঝে আনক ২১-১২, ১৩-২১ আৰু ২১-১৮ গেমত পৰাস্ত কৰি ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

আনহাতে, নৰম বাছনিৰ ভাৰতৰ সাত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো আজি প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ যুটী চুং হন জিয়ান আৰু মহম্মদ হাইকালৰ বিৰুদ্ধে পৰাস্ত হয়।

০০০০০০০

সমাপ্ত